ষষ্ঠ অধ্যায়

# ঊনবিংশ শতিকাত অসমৰ গ্ৰন্থ প্ৰকাশনৰ সৈতে সম্পৰ্ক থকা কিছু আনুষঙ্গিক বিষয়

ষষ্ঠ অধ্যায়

# ঊনবিংশ শতিকাত অসমৰ গ্ৰন্থ প্ৰকাশনৰ সৈতে সম্পৰ্ক থকা কিছু আনুষঙ্গিক বিষয়

## ৬.০১ অসমত প্ৰথম মুদ্ৰণ যন্ত্ৰ স্থাপন আৰু মুদ্ৰণ সামগ্ৰী ঃ

অসমৰ মাটিত ১৮৩৬ খ্ৰীষ্টাব্দত আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলৰ দ্বাৰা স্থাপিত 'আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছ'ৰ পৰা অসমীয়া গ্ৰন্থ ছপা আৰু প্ৰকাশ কৰাৰ ক্ষেত্ৰত প্ৰথমে উদ্যোগ লয় নাথান ব্ৰাউনে আৰু মুদ্ৰণ কাৰ্যত তেওঁক সহযোগ কৰে আমেৰিকান খ্ৰীষ্টান মিছনাৰী অলিভাৰ টি. কট্টাৰ, এলিজা হুইটনী ব্ৰাউন, হেৰিয়েট বি.এল.কট্টাৰে। পৰৱৰ্তী পৰ্যায়ত তেওঁলোকক সহযোগ কৰে মাইলছ ব্ৰনছন, ৰুথ এম.এল.ব্ৰনছন, চাইৰাছ বাৰ্কাৰ, উইলিয়াম ৱাৰ্ড, ছুছান আৰ.ৱাৰ্ড আদিয়ে। মুদ্ৰণ যন্ত্ৰসহ মুদ্ৰণৰ বাবে কাগজ, চিয়াঁহী, বৰ্ণাক্ষৰ (হৰফ) আদি তেওঁলোকে অসমলৈ আহোঁতেই নাৱত বোজাই কৰি লৈ আনে।

আমেৰিকান খ্ৰীষ্টান মিছনাৰীসকলে সেই মুদ্ৰণ যন্ত্ৰ আৰু মুদ্ৰণ সামগ্ৰী অসমলৈ আনোতে বহুতো বাধা-বিঘিনি অতিক্ৰম কৰিবলগীয়া হৈছিল। সেই দুৰ্যোগ, অসুবিধাসমূহৰ তথ্য অসমৰ গ্ৰন্থ প্ৰকাশনৰ ইতিহাসত এক ঐতিহাসিক দৃষ্টিকোণেৰে লিপিবদ্ধ কৰি ৰাখিবলগীয়া বিষয়। সেই সম্পৰ্কে অধিক অনুসন্ধানমূলক অধ্যয়ন আৰু ঐতিহাসিক বিৱৰণ উদ্‌ঘাটন কৰি লিপিবদ্ধ কৰি ৰখাটোও প্ৰয়োজনীয় কথা।

## ৬.০২ ঊনবিংশ শতিকাত অসমত প্ৰতিষ্ঠিত ছপাশালসমূহ

(১) **মিছন প্ৰেছ** (১৮৩৬ খ্ৰীঃ) ঃ (ক) নাথান ব্ৰাউন আৰু অলিভাৰ টি.কট্টাৰৰ নেতৃত্বত আমেৰিকাৰ শ্বান মিছন (Shan Mission) ৰ দ্বাৰা প্ৰেৰিত আমেৰিকান বেপ্টিষ্ট মিছনাৰীৰ দলে ১৮৩৬ খ্ৰীষ্টাব্দত অসমলৈ আহি পোন প্ৰথমে শদিয়া (শদিয়া[১])ত 'মিছন প্ৰেছ' প্ৰতিষ্ঠা কৰে। উক্ত বৰ্ষৰ ২৩ মাৰ্চৰ পৰা প্ৰায়

---

১ Dipankar Banerjee, *Where the Message of Peace and Love Found Its Abode - Heritage, Baptist Church,* Published in the Telegraph on 12th June, 2004.

তিনি বছৰ শদিয়াত তেওঁলোকে কাম-কাজ সম্পন্ন কৰে। ১৮৩৬ খ্ৰীষ্টাব্দত এই প্ৰেছৰ পৰাই নাথান ব্ৰাউনে প্ৰস্তুত কৰা *Spelling Book in English, Assamese and Tai* শীৰ্ষক এখন গ্ৰন্থ প্ৰকাশ কৰে। উল্লেখযোগ্য যে অসমৰ স্ব-ভূমিত প্ৰকাশিত এইখনেই প্ৰথম ছপাগ্ৰন্থ। (খ) শদিয়াত পোৱা কিছু অসুবিধাৰ বাবে মিছন প্ৰেছটো ১৮৩৯ খ্ৰীষ্টাব্দত নাহৰকটীয়া কাষৰ জয়পুৰলৈ স্থানান্তৰিত কৰে। জয়পুৰত উক্ত ছপাশালতেই মাইলছ ব্ৰনছনৰ দ্বাৰা ৰচিত *'A Spelling Book and Vocabulary in English, Assamese, Singpho and Naga'* নামৰ এখন গ্ৰন্থ ছপা কৰি প্ৰকাশ কৰে। আমেৰিকান বেপ্টিষ্ট মিছনে জয়পুৰৰ প্ৰেছত ছপা কৰা এইখনে প্ৰথম গ্ৰন্থ। (গ) জয়পুৰতো ছপাশালৰ কাম-কাজ পৰিচালনা কৰাত অসুবিধাই দেখা দিয়াত সেই স্থানৰ পৰা দিখৌ নদীয়েদি নাৱেৰে স্থানান্তৰিত কৰি ১৮৪৩ খ্ৰীষ্টাব্দৰ ১৫ নৱেম্বৰত শিৱসাগৰত 'বেপ্টিষ্ট মিছন প্ৰেছ' স্থাপন কৰে। আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলে ইয়াৰ পিছৰে পৰা শিৱসাগৰৰ উক্ত ছপাশালটিৰ পৰা ১৮৪৪ ৰ পৰা ১৮৮০ খ্ৰীঃলৈকে মুদ্ৰণ কাৰ্য সম্পাদন কৰে। অসমৰ ইতিহাসত উল্লেখযোগ্য ভূমিকা লোৱা এই ছপাশালতেই ১৮৪৬ খ্ৰীষ্টাব্দৰ পৰা নাথান ব্ৰাউনৰ সম্পাদনাত অসমৰ প্ৰথম আলোচনী 'অৰুণোদই' প্ৰায় ৩৪ বছৰ কাল মুদ্ৰিত আৰু প্ৰকাশিত হৈছিল। যথেষ্ট সংখ্যক অসমীয়া আৰু ইংৰাজী ভাষাত ৰচিত নানা বিষয়ৰ গ্ৰন্থ মুদ্ৰিত হোৱা এই ছপাশালৰ প্ৰথম মুদ্ৰক আছিল অলিভাৰ টি.কটাৰ। পৰৱৰ্তী পৰ্যায়ত মুদ্ৰকৰ দায়িত্বত আছিল 'অৰুণোদই'ৰ সম্পাদক নাথান ব্ৰাউন সহ অন্যান্য ভালেকেইজন মিছনাৰী। আমেৰিকান মিছনাৰীসকলে অসম এৰি যোৱাত ১৮৮২ খ্ৰীঃত শিৱসাগৰ জিলাৰ নাজিৰাস্থিত 'আসাম কোম্পানী'য়ে ছপাশালটো ক্ৰয় কৰি লয় যদিও অৱশেষত ১৮৮৩ খ্ৰীঃত ছপাশালটো প্ৰয়োজনীয় পৰিচালনাৰ অভাৱত বন্ধ হৈ যায়।

(২) **ধৰ্ম প্ৰকাশ যন্ত্ৰ** (১৮৭১ খ্ৰীঃ) ঃ ধৰ্ম প্ৰকাশ যন্ত্ৰ, প্ৰতিষ্ঠাপক দত্তদেৱ গোস্বামী। ঊনবিংশ শতিকাত অসমত বাতৰি কাকত প্ৰকাশৰ অনুকূল পৰিৱেশ গঢ়ি উঠিলেও উপযুক্ত ছপাশাল নাছিল। অসমীয়া বুদ্ধিজীৱীসকলে বাতৰি কাকত প্ৰকাশৰ কাৰণে কলিকতাৰ ছপাশালৰ ওপৰত নিৰ্ভৰ কৰিছিল। কলিকতাৰ ছপাশালতেই অসমীয়া বা অসমকেন্দ্ৰিক ইংৰাজী আৰু অন্যান্য গ্ৰন্থ মুদ্ৰিত হৈছিল। অসমত উন্নত ছপাশালৰ অভাৱ পূৰণ কৰাৰ বাবে মাজুলীৰ আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে মাজুলীত 'ধৰ্ম প্ৰকাশ যন্ত্ৰ' প্ৰতিষ্ঠা কৰে। গোস্বামীয়ে উক্ত ছপাশালতেই 'আসাম বিলাসিনী' আলোচনী মুদ্ৰণৰ দায়িত্ব লৈছিল।

(৩) **চিদানন্দ প্ৰেছ** (১৮৭২ খ্ৰীঃ) ঃ বৰপেটা নিৱাসী চিদানন্দ চৌধুৰী[২]য়ে গুৱাহাটীৰ পাণবজাৰত চিদানন্দ প্ৰেছ প্ৰতিষ্ঠা কৰে।

---

[২] চিদানন্দ চৌধুৰীৰ উপাধিটো বিভিন্নজনে 'দাস' বুলি উল্লেখ কৰিছে।

(৪) **আসাম নিউচ** (নিউজ) **প্ৰেছ** (১৮৭২ খ্ৰীঃ) ঃ প্ৰতিষ্ঠাপক হেমচন্দ্ৰ বৰুৱা, গুৱাহাটী।

(৫) **হিত-সাধনী যন্ত্ৰ বা হিতবিধায়িনী প্ৰেছ** (১৮৭৬ খ্ৰীঃ) ঃ গোৱালপাৰা।

(৬) **ৰাধানাথ প্ৰেছ** (১৮৮১ খ্ৰীঃ) ঃ ৰাধানাথ চাংকাকতি, ডিব্ৰুগড়।

(৭) **ভট্টাচাৰ্য্য প্ৰেছ** (১৮৮১ খ্ৰীঃ, ৯ মে') ঃ প্ৰতিষ্ঠাপক শিৱনাথ ভট্টচাৰ্য্য, চিৰিং চাপৰি, ডিব্ৰুগড়।

(৮) **আসাম ৰেল'ৰে ট্ৰেডিং কোম্পানী প্ৰেছ** (১৮৯০ খ্ৰীঃ)ঃ ডিব্ৰুগড়।

(৯) **শিলচৰ প্ৰেছ** (১৮৯৪ খ্ৰীঃ) হৰেকৃষ্ণ গুপ্ত, শিলচৰ।

(১০) **ব্ৰিটিছ বেপ্টিষ্ট মিছন প্ৰেছ** (১৮৯৪ খ্ৰীঃ) ঃ গুৱাহাটী। এই প্ৰেছত পঢ়াশলীয়া পাঠ্য পুথি, খ্ৰীষ্টধৰ্মৰ গীতৰ সংকলন, ধৰ্মোপদেশমূলক পুস্তিকাদি ছপা কৰা হৈছিল। ১৮৯৭ খ্ৰীষ্টাব্দৰ ৬ জুনত অসমত সংঘটিত প্ৰবল ভূমিকম্পৰ ফলত এই ছপাশালৰ বিস্তৰ ক্ষতি হোৱাত ছপাশালৰ কাম-কাজ বন্ধ হয়। পৰৱৰ্তী পৰ্যায়ত ছপাশালটি গুৱাহাটীৰ কমাৰপট্টিৰ এটি গৃহলৈ নি স্থাপন কৰিছিল যদিও, কিছুদিনৰ পাছত সংশ্লিষ্ট মেচিন-পত্ৰ বেপ্টিষ্ট মিছন, যোৰহাটৰ কাৰ্যালয়লৈ স্থানান্তৰিত কৰি তাৰ পৰা মুদ্ৰণ কাৰ্য সম্পাদন কৰাৰ ব্যৱস্থা কৰা হয়।

(১১) **Assam Secretariat Press** (১৮৯৪ খ্ৰীঃ) ঃ Shillong

(১২) **সনাতন ধৰ্ম্ম যন্ত্ৰ** (১৮৯৫ খ্ৰীঃ) ঃ উদ্যোক্তা পুৰা মহাজন ওৰফে পুৰা আতৈ, বৰপেটা। সেই ছপাশালৰ লগতে এখন গ্ৰন্থ বিক্ৰয় প্ৰতিষ্ঠানো সংলগ্ন কৰিছিল।

(১৩) **আসাম চেণ্ট্ৰেল প্ৰেছ** (১৯০০ খ্ৰীঃ) ঃ তেজপুৰ।

## ৬.০৩ ঊনবিংশ শতিকাত অসমীয়া গ্ৰন্থ মুদ্ৰণত কলিকতা আৰু অসমৰ ছপাশালৰ ভূমিকা ঃ

উইলিয়াম কেৰীৰ উদ্যোগত আত্মাৰাম শৰ্মাই অনুবাদ কৰা *'ধৰ্ম্মপুস্তক'* অসমীয়া ভাষাৰ প্ৰথমখন মুদ্ৰিত গ্ৰন্থ। ১৮১৩ খ্ৰীষ্টাব্দত শ্ৰীৰামপুৰত প্ৰতিষ্ঠা কৰা বেপ্টিষ্ট মিছন প্ৰেছত এই গ্ৰন্থখন ছপা হয়।[৩] অসমীয়া গ্ৰন্থ বা অসম বিষয়ক অসমীয়া, বাংলা, ইংৰাজীকে আদি কৰি অন্যান্য ঠাইসমূহৰ প্ৰচলিত ভাষা, উপভাষাৰ গ্ৰন্থ, পুস্তিকা আদি শ্ৰীৰামপুৰ আৰু বঙ্গদেশৰ বিভিন্ন ছপাশালত মুদ্ৰিত হয়। বঙ্গৰ প্ৰধান ব্যৱসায়িক কেন্দ্ৰ কলিকতাত প্ৰথম ছপাশাল স্থাপিত হৈছিল ১৮০৬-০৭ খ্ৰীষ্টাব্দত। কলিকতাৰ খিদিৰপুৰ অঞ্চলত বাবুৰাম নামৰ এজন উদ্যোগীয়ে এটি ছপাশাল প্ৰতিষ্ঠা কৰিছিল। ছপাশালটি ১৮১৫ খ্ৰীষ্টাব্দত 'সংস্কৃত প্ৰেছ' নাম দি প্ৰথমে দেৱনাগৰী আৰু পিছলৈ অন্যান্য ভাষাৰ গ্ৰন্থ মুদ্ৰণ কৰিছিল। তদুপৰি হিন্দুস্তান প্ৰেছ, বেদ প্ৰেছ, আৰ্য্য প্ৰেছ, নিউ আৰ্য্য প্ৰেছ, বেঙ্গল প্ৰেছ, সৰস্বতী প্ৰেছ, মণিকা প্ৰেছ, নিউ বেঙ্গল প্ৰেছ,

---

৩ সূৰ্য্য হাজৰিকা, *ড° উইলিয়াম কেৰী, আত্মাৰাম শৰ্ম্মা আৰু অসমীয়া ভাষাৰ প্ৰথম ছপা গ্ৰন্থ 'ধৰ্ম্মপুস্তক'*, ২০১৫।

বঙ্গবাসী প্ৰেছ, নিউ সাৰস্বত প্ৰেছ, ভাৰত প্ৰেছ, হৰি প্ৰেছ, ইষ্ট-ইণ্ডিয়া কোম্পানী'জ প্ৰিণ্টিং প্ৰেছ আদিতো অসমীয়া গ্ৰন্থ ছপা হৈছিল। মুদ্ৰণ সামগ্ৰী সহজলভ্য হোৱাত অসমৰ ব্যক্তিয়েও কলিকতাত ছপাশাল আৰু প্ৰকাশন প্ৰতিষ্ঠান স্থাপন কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকনে ১৮৫২ খ্ৰীঃত কলিকতাত স্থাপন কৰা 'নিউপ্ৰেছ' নামৰ ছপাশালটো পৰিচালনাৰ দায়িত্ব গুণাভিৰাম বৰুৱাক দিয়ে। আনন্দৰাম বৰুৱাই ১৮৮১ খ্ৰীঃত কলিকতাৰ ২/১ নং বাগ বজাৰত প্ৰতিষ্ঠা কৰা 'মণিৰাম যন্ত্ৰ' পৰিচালনাৰ ভাৰ পূৰ্ণচন্দ্ৰ চক্ৰৱৰ্তীক দিয়ে। নিজৰ সংস্কৃত গ্ৰন্থ আদি ছপাবলৈ বৰুৱাই কলিকতাৰ বহৰমপুৰত 'অৰুণোদয় যন্ত্ৰ' স্থাপন কৰিছিল।

## ৬.০৪ ঊনবিংশ শতিকাত অসমত পঢ়াশালি স্থাপন ঃ

১৮৩৪ খ্ৰীষ্টাব্দত গুৱাহাটীত 'গৌহাটী ইংলিছ ছেমিনাৰী'[৪] (Gauhati English Seminary) নামেৰে অসমীয়াৰ লগতে ইংৰাজী শিক্ষা-ব্যৱস্থাৰ বিদ্যালয় স্থাপন হোৱাৰ ফলত বিভিন্ন ভাষাৰ বাবে অভিধানৰ প্ৰয়োজন হৈ পৰে। সেয়ে বাস্তৱিক ক্ষেত্ৰত মাতৃ ভাষাৰে ভাব প্ৰকাশক শব্দ আৰু বাক্য ব্যৱহাৰ প্ৰণালী আদি সন্নিৱিষ্ট গ্ৰন্থৰ প্ৰয়োজন হয়। গৌহাটী ছেমিনাৰীত ১৮৩৫ খ্ৰীঃত পাঠদান আৰম্ভ হোৱাত ১৮৩৭ ৰ পৰা ১৮৪০ খ্ৰীঃলৈ আনন্দৰাম ঢেকিয়াল ফুকনে এই বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰে। শিক্ষকদ্বয় মিষ্টাৰ ছিঙ্গাৰ আৰু উইলিয়াম ৰবিন্সনৰ তত্ত্বাৱধানত শিক্ষা লাভ কৰে। তেখেতে ব্ৰিটিছ শাসকগোষ্ঠীক অসমত অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠাৰ কথা যুক্তিৰে বুজাই দি মহৎ কাৰ্য সাধন কৰে। পৰৱৰ্তী পৰ্যায়ত উক্ত পঢ়াশালিত অধ্যয়ন কৰা অন্যান্য ব্যক্তিসকল হ'ল,- আনন্দৰাম বৰুৱা, বলিনাৰায়ণ বড়া, শিৱৰাম বৰা, মানিক চন্দ্ৰ বৰুৱা, জালিনুৰ আলি আহমেদ, আব্দুল মজিদ, তৰুণৰাম ফুকন আদি।

## ৬.০৫ ঊনবিংশ শতিকাত প্ৰয়োজনীয় পাঠ্যপুথি প্ৰণয়নত ব্ৰিটিছ প্ৰশাসনৰ ভূমিকা ঃ

১৮২৬ খ্ৰীঃত অসম ইংৰাজৰ হাতলৈ যোৱাত অসমলৈ ব্ৰিটিছ বিষয়াৰ লগতে বঙ্গদেশৰ কেৰেণি পৰ্যায়ৰ লোকৰ আগমন ঘটে। সেই বাংলাভাষী লোকসকলে অসমৰ অফিচ আৰু আদালত আদিত অসমীয়াৰ পৰিৱৰ্তে বাংলা ভাষা চলাবলৈ লয়। এনেদৰে ১৮৩৬ ৰ পৰা ১৮৭৩ খ্ৰীঃলৈকে সুদীৰ্ঘ ৩৬ বছৰ অসমত চৰকাৰী ভাষা হিচাপে বাংলা ভাষা প্ৰচলিত হয়। অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আমেৰিকান মিছনেৰীসকল আৰু ব্ৰিটিছ প্ৰশাসন যন্ত্ৰই ১৮৭৩ খ্ৰীঃৰ ১৯ এপ্ৰিলত অসমীয়া ভাষা পুনৰ প্ৰচলন হ'ব বুলি ঘোষণা জাৰি কৰে। এনে ঘোষণাৰ লগে লগেই অসমীয়া ভাষাত পাঠ্যপুথি ৰচনা কৰিবলৈ

---

৪ 'গৌহাটী ছেমিনাৰী' সম্প্ৰতি 'কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়' নামেৰে পৰিচিত হৈছে।

অসম চৰকাৰে উদ্যোগ গ্ৰহণ কৰে। পাঠ্যপুথি ৰচনাৰ বাবে ১৮৭৩ খ্ৰীঃত চৰকাৰে এলানি প্ৰতিযোগিতাও পাতিছিল। এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা ৫৮ জন লোকৰ ভিতৰত দহজনৰ কিতাপ বাছনি কৰাৰ লগতে তিনিজনক পুৰস্কৃতও কৰে। হেমচন্দ্ৰ শৰ্মা বৰুৱাই প্ৰথম, তুলসীৰাম বৰুৱাই দ্বিতীয় আৰু আমেৰিকান বেপ্টিষ্ট মিছনৰ সদস্য এডুউইন ডব্লিউ ক্লাৰ্কে (Edwin W.Clark) তৃতীয় স্থান পাইছিল। এই প্ৰতিযোগিতাত বাংলা লেখকসকলেও অংশগ্ৰহণ কৰিছিল।

## ৬.০৬ অসমীয়া ছাত্ৰ-ছাত্ৰীৰ শিক্ষাদানত আমেৰিকান মিছনাৰীসকলৰ অৱদান ঃ

ঊনবিংশ শতিকাত অসমৰ ছাত্ৰ-ছাত্ৰীৰ বাবে, বিশেষকৈ মহিলাসকলৰ বাবে বেপ্টিষ্ট মিছনাৰীয়ে প্ৰথম কাম হিচাপে মহিলাৰ বাবে বিদ্যালয় স্থাপনৰ পোষকতা কৰে। এলিজা হুইটনী ব্ৰাউন আৰু হেৰিয়েট বি.এল.কট্টাৰে শিৱসাগৰৰ নিজা বাসস্থানত, চাইৰাছ বাৰ্কাৰৰ পত্নী টলমেন বাৰ্কাৰে গুৱাহাটীত আৰু মাইলছ ব্ৰনছনৰ পত্নী আৰ.এম.এল. ব্ৰনছনে নগাঁৱত কিছুসংখ্যক ছোৱালীক লৈ শিক্ষাদান কাৰ্যৰ আৰম্ভ কৰে। ক্ৰমান্বয়ে শিক্ষাৰ্থীৰ সংখ্যা বাঢ়ি অহাত আনুষ্ঠানিক পঢ়াশালি স্থাপন হ'বলৈ ধৰে। ইতিমধ্যে আৱাসিক বিদ্যালয় (ব'ৰ্ডিং স্কুল) ৰ ধাৰণা সমাজলৈ আনিছিল যদিও অসমীয়া পিতৃ-মাতৃয়ে সন্তানসকলক খ্ৰীষ্টান শিক্ষক বা শিক্ষয়িত্ৰীৰ হাতত গতাই দিব নিবিচৰাত তেওঁলোকে একাংশ অনাথ শিশুক লৈ প্ৰথমে বিদ্যালয় আৰম্ভ কৰে। এনেদৰে ১৮৪৩ খ্ৰীষ্টাব্দত 'নগাঁও অৰফেন ইনষ্টিটিউচন' নামেৰে এখন শিক্ষা প্ৰতিষ্ঠান নগাঁওত গঢ়ি তোলে। পিছত গুৱাহাটী আৰু শিৱসাগৰতো এনে বিদ্যালয় গঢ়ি উঠে। 'নগাঁও অৰফেন ইনষ্টিটিউচন'ত ল'ৰাক পঢ়োৱাৰ দায়িত্ব লৈছিল মাইলছ ব্ৰনছনে। ১৮৪৬ খ্ৰীঃত এই স্কুল এলিজা ব্ৰাউনৰ দায়িত্বত পৰিচালিত হৈছিল। পঢ়া-শুনাৰ সমান্তৰালকৈ ইয়াত অধ্যয়নৰত বিদ্যাৰ্থীসকলক চিলাই, বোৱা-কটা তথা অন্যান্য ঘৰুৱা কাম-কাজৰো প্ৰশিক্ষণ দিয়া হৈছিল। এনেদৰে ব'ৰ্ডিং স্কুলত ১৭ গৰাকী কন্যা সন্তান আছিল। সেইদৰে গাঁও অঞ্চলৰ বিদ্যালয়সমূহ বৰ্তাই ৰাখিবলৈও অশেষ চেষ্টা কৰিছিল মিছনাৰীসকলে। পিছে কষ্ট অনুযায়ী তেওঁলোকে ফল লাভ কৰিব পৰা নাছিল। এই বিফলতাৰো প্ৰধান কাৰণ আছিল অসমৰ ল'ৰা-ছোৱালীৰ অভিভাৱকসকলৰ শিক্ষাৰ প্ৰতি উদাসীনতা তথা পৰ্যাপ্ত সংখ্যক মহিলা শিক্ষয়িত্ৰীৰ অভাৱ। তথাপি মিছনাৰীসকলৰ নেৰানেপেৰা চেষ্টাৰ ফলত কিছু বিদ্যালয় ঠন ধৰি উঠিছিল।

### ৬.০৭ ঊনবিংশ শতিকাৰ পৰা অসমত ‘ৰোমান’ হৰফত সংখ্যাৰ প্ৰচলন ঃ

| | | | | |
|---|---|---|---|---|
| ১ = 1 = I | ২ = 2 = II | ৩ = 3 = III | ৪ = 4 = IV | ৫ = 5 = V |
| ৬ = 6 = VI | ৭ = 7 = VII | ৮ = 8 = VIII | ৯ = 9 = IX | ১০ = 10 = X |
| ১১ = 11 = XI | ১২ = 12 = XII | ১৩ = 13 = XIII | ১৪ = 14 = XIV | ১৫ = 15 = XV |
| ১৬ = 16 = XVI | ১৭ = 17 = XVII | ১৮ = 18 = XVIII | ১৯ = 19 = XIX | ২০ = 20 = XX |
| ৪০ = 40 = XL | ৫০ = 50 = L | ৯০ = 90 = XC | ১০০ = 100 = C | ৫০০=500=D |
| ১০০০ = 1000 = M | | | | |

### ৬.০৮ ঊনবিংশ শতিকাৰ পৰা অসমত ‘শক’, ‘শকাব্দ’ আৰু খ্ৰীষ্টাব্দৰ গণনা কাৰ্যৰ আৰম্ভণি ঃ

গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত গ্ৰন্থসমূহৰ প্ৰকাশৰ সময় (চন), তাৰিখ আদিৰ উল্লেখ থকাটো অতি প্ৰয়োজনীয় বিষয়। এনে তথ্যৰ অভাবে গ্ৰন্থখনত থকা বিষয়বস্তুৰ বিচাৰ-বিশ্লেষণ কৰোতে যথেষ্ট অসুবিধাত পেলায়। অসমত ব্ৰিটিছ ঔপনিৱেশিক শাসন আৰম্ভ হোৱাৰ আগলৈকে ‘শক’, ‘শকাব্দ’, সাল, বঙ্গাব্দ আদি শব্দৰ ব্যৱহাৰ হৈছিল। কলিকতাৰ পৰা প্ৰকাশ পোৱা অসম সম্পৰ্কীয় গ্ৰন্থ সমূহত বঙ্গদেশৰ প্ৰচলিত ৰীতি অনুযায়ী ‘সাল’, ‘বঙ্গাব্দ’, ‘সম্বৎ’, ‘গুপ্তাব্দ’ আদি শব্দৰ ব্যৱহাৰ কৰিছিল। অসমত ঊনবিংশ শতিকাৰ আগলৈকে প্ৰচলিত ‘শক’, ‘শকাব্দ’ আদিত নতুনকৈ ‘খ্ৰীষ্টাব্দ’ৰ বৰ্ষ গণনা প্ৰথা সংযোজন হৈ অসমৰ ইতিহাসত এক নতুন বৰ্ষ গণনাৰ যুগ আৰম্ভ হয়।

অসমৰ ইতিহাসৰ ছশ (৬০০) বছৰীয়া আহোম শাসনৰ সময়ত ইতিহাস বিৰৰিত পুথিসমূহত ‘তাওচিঙ্গা’ (Taosinga) ‘সঁক’ বা ‘সকাব্দ’ শব্দ ব্যৱহাৰ কৰিছিল। ঊনবিংশ শতিকাৰ সপ্তম দশকত প্ৰকাশিত মাইলছ ব্ৰনছনৰ *‘অসমীয়া-ইংৰাজী অভিধান’*ত এইদৰে আছে,-

> “সঁক, S অঙ্ক বচৰৰ সংখ্যা, ‘A numerical fingure, an era or a year of any era.’
> আনহাতে ‘শ’, ‘ষ’, ‘স’ এই তিনি আখৰৰ উচাৰণ অসমিয়া...।”

বঙ্গদেশত প্ৰচলিত ‘বঙ্গাব্দ’ আৰু অসমত প্ৰচলিত ‘ভাস্কৰাব্দ’ৰ বৰ্ষ সংখ্যা একেই। খ্ৰীষ্টীয় ষষ্ঠ শতিকাত অসমৰ ৰজা ভাস্কৰ বৰ্মনে ৰাজপাটত উঠাৰ দিনা ৫৯৪ খ্ৰীষ্টাব্দৰ ১ বহাগৰ দিনটোক সময়ৰেখা ৰূপে লৈ ‘ভাস্কৰাব্দ’ গণনাৰে বৰ্ষ নিৰূপণ কৰা দিৱসৰ সূচনা হয়। ‘বঙ্গাব্দ’ৰ লেখ ১৫৮৪ খ্ৰীঃৰ মাৰ্চ মাহত

সম্ৰাট আকবৰৰ দ্বাৰা আনুষ্ঠানিক ঘোষণা কৰা হয়। 'ভাস্কৰাব্দ' আৰু 'বঙ্গাব্দ' খ্ৰীষ্টাব্দৰ হিচাপেৰে কৰিবলৈ 'ভাস্কৰাব্দ' বা 'বঙ্গাব্দ' তাৰিখৰ লগত ৫৯৩ বৰ্ষ যোগ কৰিব লাগে। সেইদৰে 'শকাব্দ'ৰ পৰা 'খ্ৰীষ্টাব্দ'ৰ হিচাপ উলিয়াবলৈ ৭৮ সংখ্যা যোগ কৰিব লাগে।

## ৬.০৯ ঊনবিংশ শতিকাত পুৰণি পুথি সংগ্ৰহ আৰু অসমত পুথিভঁৰাল স্থাপন ঃ

ঊনবিংশ শতিকা বা তাৰ আগৰ শতিকাসমূহত অসমীয়া ভাষাত ৰচিত সাহিত্য সাঁচিপাত আৰু তুলাপাতত লিপিৰদ্ধ কৰা হৈছিল। পঢ়ুৱৈৰ চাহিদা অনুসৰি পুথিসমূহৰ প্ৰয়োজনীয় সংখ্যাক হস্তাক্ষৰেৰে লিখা প্ৰতিলিপি কৰিবলৈ পাৰদৰ্শী লোকক নিয়োগ কৰিছিল। তেনে কাৰ্যৰ বাবে ৰাজন্যবৰ্গৰ সহায়-সহযোগিতাও লোৱা হৈছিল। প্ৰতিলিপিসমূহ পঠন আৰু সংৰক্ষণ কৰাৰ ক্ষেত্ৰত ৰাজন্যবৰ্গৰ গ্ৰন্থশালা, নামঘৰ, সত্ৰ আৰু বিদ্যানুৰাগী গৃহস্থৰ বাসগৃহত সংৰক্ষণ কৰিছিল।

ঊনবিংশ শতিকাৰ শেষৰ ফালে ১৮৯৪ খ্ৰীষ্টাব্দত ব্ৰিটিছ শাসনাধীন অসম চৰকাৰৰ উদ্যোগত অসমৰ বৌদ্ধিক সমাজে পৌৰাণিক সাহিত্যসমূহ সংগ্ৰহ আৰু সংৰক্ষণৰ চিন্তা কৰে। এই উদ্দেশ্যেৰে ৰাজধানী শ্বিলঙত 'Ethnography Department of Assam'[৫] নামৰ এটি সংস্থা প্ৰতিষ্ঠা কৰে। ব্ৰিটিছ-ইণ্ডিয়া চৰকাৰৰ বিষয়া ৰূপে নিযুক্ত এডোৱাৰ্ড গেইট (Edward Gait) ৰ নেতৃত্বত উক্ত সংস্থাটি স্থাপিত হৈছিল। অসমৰ পুৰণি পুথি-পাঁজি, নথি-পত্ৰ, কাকত-আলোচনী আৰু প্ৰকাশিত বা অপ্ৰকাশিত গ্ৰন্থাদিৰ পাণ্ডুলিপি আদিৰ জ্ঞান-ভাণ্ডাৰ গৃহ (Treasure House) ৰূপে এই প্ৰতিষ্ঠানত অসমৰ ঐতিহাসিক সম্পদ ৰূপে চিহ্নিত গ্ৰন্থ বা গ্ৰন্থৰ পাণ্ডুলিপি সংৰক্ষিত কৰা হৈছিল।

## ৬.১০ ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থসমূহৰ মূল্য নিৰ্ধাৰক গণনা পদ্ধতি ঃ

১। ঊনবিংশ শতিকাত অসমৰ পৰা প্ৰকাশিত গ্ৰন্থ বা আলোচনীসমূহৰ বিক্ৰী মূল্য বা অন্যান্য ক্ষেত্ৰত টকা-পইচাৰ হিচাপ কৰা বা ৰখাৰ ক্ষেত্ৰত নিম্নোক্ত সাংকেতিক আখৰেৰে বুজোৱা হৈছিল। অতীত অসমত মুদ্ৰামান প্ৰচলনৰ ক্ষেত্ৰত 'পাতি-পইচা' নামক এক মুদ্ৰাৰ প্ৰচলন আছিল। সেই হিচাপত ৩ (তিনি) টা পাতি-পইচাৰে ১ পইচা, ৪ টা পইচাৰে ১ (এক) অনা আৰু ১৬ (যোল্ল) অনাৰে এক টকা ৰূপে মুদ্ৰামান নিৰ্ধাৰণ কৰা হৈছিল।

---

[৫] এই বিভাগটো ১৮৯৪ খ্ৰীষ্টাব্দত শ্বিলঙত প্ৰতিষ্ঠা কৰাৰ পাছত সেই স্থানতে ক্ৰমে ঠন ধৰি উঠি ১৯৩৬ খ্ৰীষ্টাব্দত উক্ত প্ৰতিষ্ঠানটো শ্বিলঙৰ পৰা ভৈয়ামৰ গুৱাহাটীৰ পাণবজাৰ অঞ্চললৈ স্থানান্তৰিত কৰা হয়।

| টকাৰ পৰিমাণ | সাংকেতিক চিহ্ন | টকাৰ পৰিমাণ | সাংকেতিক চিহ্ন |
|---|---|---|---|
| এক পইচা | ... (৫ | আঁঠ অনা | ... ৷৷০ |
| অধা অনা | ... (১০ | ন অনা | ... ৷৷৴০ |
| এক অনা | ... ৴০ | দহ অনা | ... ৷৷৵০ |
| দুই অনা | ... ৵০ | এঘাৰ অনা | ... ৷৷৶০ |
| তিনি অনা | ... ৶০ | বাৰ অনা | ... ৸০ |
| চাৰি অনা | ... ৷০ | তেৰ অনা | ... ৸৴০ |
| পাঁচ অনা | ... ৷৴০ | চৈধ্য অনা | ... ৸৵০ |
| ছয় অনা | ... ৷৵০ | পোন্ধৰ অনা | ... ৸৶০ |
| সাত অনা | ... ৷৶০ | ষোল্ল অনা বা এটকা | ... ১৲ |

২। এই ক্ষেত্ৰত টকাৰ পিছত অনাৰ সংখ্যা নাথাকিলে ‘৲’ চিহ্ন ব্যৱহাৰ কৰা হৈছিল। যেনে - বেচ-১৲ টকা মাত্ৰ, ৫৲ টকা মাত্ৰ ইত্যাদি। আনহাতে মুদ্ৰামানত অনাৰ হিচাপতকৈও কম মূল্যমান বা সংখ্যা সূচাঙ্কৰ ক্ষেত্ৰত - ৫ (পাঁচ পইচা), ৮ (আঁঠ পইচা) আদিৰ ধৰণে ব্যৱহাৰ কৰিছিল।

৩। ঊনবিংশ শতিকা বা অতীত অসমত ব্যৱহৃত এই চিহ্নসমূহক ‘ইলেক্’ বুলিও কোৱা হৈছিল। ‘ইলেক্’ শব্দৰ অভিধানিক অৰ্থ হ’ল,- ‘টকা’ৰ পৰা ‘পাই’ক পৃথক কৰি দেখুৱাবলৈ এই শব্দ ব্যৱহাৰ কৰা হয়। এই চিহ্নসমূহ সাধাৰণতে টকাৰ ভগ্নাংশ নাথাকিলে টকাৰ অঙ্কৰ পিছত চিহ্ন ৰূপে ব্যৱহাৰ কৰা হয়।

## ৬.১১ ঊনবিংশ শতিকাত অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা, গ্ৰন্থাদি প্ৰণয়ন আৰু প্ৰকাশনৰ ক্ষেত্ৰত আগভাগ লোৱা কেইটিমান ৰাজহুৱা সংস্থা

১। **গৌহাটী ইংলিছ ছেমিনাৰী** (১৮৩৫ খ্ৰীঃ) ঃ অসমত স্থাপিত প্ৰথম ইংৰাজী পঢ়াশালি।

২। **আসাম দেশ হিতৈষী সভা** (১৮৫৫ খ্ৰীঃ) ঃ প্ৰিয়লাল দুৰৰাৰ উদ্যোগ আৰু নেতৃত্বত।

৩। **জ্ঞানপ্ৰদায়িনী সভা** (১৮৫৭ খ্ৰীঃ) ঃ নগাঁও, আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱাৰ যুটীয়া উদ্যোগত। ১৭ চ’ত, ১৭৭৮ শক।[৬]

৪। **আসাম এছ’চিয়েছন** (১৮৬৭ খ্ৰীঃ) ঃ গুৱাহাটী, গঙ্গাগোবিন্দ ফুকনৰ উদ্যোগ আৰু নেতৃত্বত।

---
৬ যোগেন্দ্ৰনাৰায়ণ ভূঞা, গুণাভিৰাম বৰুৱা, পৃ-৭২

৫। **গুৱাহাটী স্কুল ক্লাব** (১৮৬৯ খ্ৰীঃ) ঃ গুৱাহাটী।

৬। **অসমীয়া ভাষা উন্নতি সাধিনী চ'ৰা** (১৮৭২ খ্ৰীঃ) ঃ (আসাম লেংগুৱেজ ইমপ্ৰুভমেণ্ট ছ'চাইটি), নগাঁও, মাইলছ ব্ৰনছন আৰু ফটিক চন্দ্ৰ বৰুৱাৰ যুটীয়া উদ্যোগত।

৭। **অসমীয়া ছাত্ৰৰ সাহিত্য চ'ৰা** (১৮৭২ খ্ৰীঃ) ঃ ৬৭ নং মীৰ্জাপুৰ ষ্ট্ৰীট, কলিকতা। মাণিক চন্দ্ৰ বৰুৱা, জগন্নাথ বৰুৱা, ৰাধিকাৰাম ঢেকিয়াল ফুকন আৰু গঙ্গাগোবিন্দ ফুকনৰ উদ্যোগত।

৮। **সাৰ্বজনিক সভা** (১৮৮৪ খ্ৰীঃ) ঃ (Peoples Association) যোৰহাট, সভাপতি ৰজা নৰনাৰায়ণ সিংহ আৰু সম্পাদক জগন্নাথ বৰুৱাৰ উদ্যোগত। ৰজা নৰনাৰায়ণ সিংহৰ মৃত্যুৰ পিছত পৰৱৰ্তী সভাপতি ৰূপে কাৰ্য পৰিচালনা কৰিছিল জগন্নাথ বৰুৱাই আৰু সম্পাদকৰ দায়িত্ব লৈছিল দেৱীচৰণ বৰুৱাই।[৭]

৯। **অসমীয়া ভাষা উন্নতি সাধিনী সভা** (১৮৮৮ খ্ৰীঃ) ঃ কলিকতা (২৫ আগষ্ট)

১০। **আচামীজ ছচিঅ' লিটাৰেৰী ক্লাব** (১৮৯১ খ্ৰীঃ) ঃ ১৪ নং প্ৰতাপ চন্দ্ৰ চেটাৰ্জ্জী লেন, কলিকতা। বেণুধৰ ৰাজখোৱা, কৃষ্ণপ্ৰসাদ দুৱৰা, পদ্মনাথ গোহাঞিবৰুৱাৰ উদ্যোগত।

১১। **হিতসাধিনী সভা** (১৮৯৩-৯৪ খ্ৰীঃ) ঃ বৰপেটা।[৮]

১২। **অসমীয়া ভাষা উন্নতি সাধিনী সভা**[৯] (১৮৯৫ খ্ৰীঃ) ঃ এই সভাৰ শাখা ক্ৰমে,- কঁহিমা, ডিব্ৰুগড়, শিৱসাগৰ, তেজপুৰ, নগাঁও, বৰপেটা আৰু যোৰহাটত স্থাপিত হয়।

## ৬.১২ ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থত অসমীয়া ভাষাৰ ৰূপ ঃ

ঊনবিংশ শতিকাৰ মধ্যভাগত ব্ৰজাৱলী, বঙলা-মিশ্ৰিত অসমীয়া ভাষাৰ ৰূপ এনেদৰে পোৱা যায়,-

*"...সকলো জাতি মানুহৰ মাজত নিজ মাত্ৰি ভাসা আদৰনিয়। সেয়ে জিমান কি খিন আৰু অসোভিত নহওক, তেও আপোন ভাসা বুলি নেৰে। ৰন বিগ্ৰহ, ৰাজ্য ভগা আৰু নতুন ৰাজ্য পতা, এনে দুৰ্ঘটনাৰ পৰা, বা নানা বিদেসি ভাসা সিকাতে মাত্ৰি ভাসাক গুচাব নোআৰে। আমাৰ এই অচম দেসত ইয়াৰ প্ৰমান দেখা গৈচে। পূৰ্বে আহোম ৰাজা সকলে এই দেস জই কৰি, স স বচৰ ভোগ কৰিলে। তেওঁবিলাকৰ ভাসা খাম্‌তি জাতিৰ সমন্ধিয় এক ভাসা*

---

৭ প্ৰফুল্ল মহন্ত, কথা গুৱাহাটী ২য় বছৰ, ১ম সংখ্যা, সম্পাদক

৮ ভূপেন ৰায়চৌধুৰী প্ৰণীত 'বৰপেটাৰ ঐতিহ্য'ৰ পৃষ্ঠা ৩৮১। এই সভাৰ প্ৰতিষ্ঠাকাল অম্বিকাগিৰি ৰায়চৌধুৰীয়ে ১৮৯৩-৯৪ বৰ্ষৰ ভিতৰত হোৱাৰ কথা লিখিছে যদিও ভূপেন ৰায়চৌধুৰীয়ে ১৮৯৬ খ্ৰীষ্টাব্দ বুলি লিখিছে।

৯ 'জোনাকী'ৰ পঞ্চম বৰ্ষৰ সংখ্যাত প্ৰকাশিত অ.ভা.উ.সা.ৰ কাৰ্যবিৱৰণীৰ তথ্য। অসমীয়া ভাষা উন্নতি সাধিনী সভা, ১৮৯৫ খ্ৰীষ্টাব্দৰ ডিব্ৰুগড় শাখাৰ উদ্যোক্তা আছিল ৰাধানাথ চাংকাকতি আৰু ৰজনীকান্ত বৰদলৈ।

*আচিল; কিন্তু এনে অতি আচৰিত জে ৰজা সকলৰ ভাসাই অচমিয়া ভাসাৰ একো হানি নকৰে, এতিয়া প্ৰাই সেই ভাসা আপুনি লোপ হল।...”*[১০]

| মধ্য দশকৰ শব্দ | শেষ দশকৰ শব্দ | মধ্য দশকৰ শব্দ | শেষ দশকৰ শব্দ |
|---|---|---|---|
| মাত্ৰি ভাসা | মাতৃভাষা | জই | জয় |
| আদৰনিয় | আদৰণীয় | স স বচৰ | শ শ বছৰ |
| জিমান | যিমান | সমন্ধিয় | সম্বন্ধীয় |
| খিন | ক্ষীণ | আচিল | আছিল |
| জে | যে | ভাসাই | ভাষাই |
| প্ৰাই | প্ৰায় | অচমিয়া ভাসাৰ | অসমীয়া ভাষাৰ |

ঊনবিংশ শতিকাৰ মধ্য দশকৰ অসমীয়া ভাষাৰ শব্দ গাঁথনি আৰু শতিকাৰ শেষ দশকত প্ৰচলিত অসমীয়া ভাষাৰ শব্দ গাঁথনিৰ পাৰ্থক্য এনেধৰণৰ,-

| মধ্য দশকৰ শব্দ | শেষ দশকৰ শব্দ | মধ্য দশকৰ শব্দ | শেষ দশকৰ শব্দ |
|---|---|---|---|
| অসোভিত | অশোভিত | তেও | তেওঁ |
| ভাসা | ভাষা | আসামী | অসমীয়া |
| ৰন | ৰণ | আসামী ভাষা | অসমীয়া ভাষা |
| বিদেসি ভাষা | বিদেশী ভাষা | সিকাতে | শিকোঁতে |
| নোআৰে | নোৱাৰে | হল | হ’ল |
| অচম দেসত | অসম দেশত | মচলমানৰ | মুছলমানৰ |
| প্ৰমান | প্ৰমাণ | গৈচে | গৈছে |
| উতপাত | উৎপাত | ৰাজা সকলে | ৰজাসকলে |
| লৰ নহল | লৰচৰ নহ’ল | বেৰহাৰ | ব্যৱহাৰ |
| দেস | দেশ | ইংলণ্ড, ইংলণ্ডিয় | ইংলেণ্ড, ইংলেণ্ডীয় |
| অধিন | অধীন | সক/সকাব্দ | শক/শকাব্দ |
| হোআত | হোৱাত | ইংৰাজি | ইংৰাজী |
| বিসেস | বিশেষ | অসমিয়া | অসমীয়া |
| সহাই | সহায় | অচমিয়া | অসমীয়া |
| বঙ্গালী ভাসাক | বাংলা ভাষাক | উপাই | উপায় |
| গবৰ্নমেণ্ট | গৱৰ্ণমেণ্ট | জিবিকাৰ | জীৱিকাৰ |
| কৰম | কৰ্ম | | |

[১০] মাইলছ ব্ৰনছন, 'A Dictionary of Assamese and English' গ্ৰন্থৰ পাতনি, ১৮৬৭ খ্ৰীঃ

## ৬.১৩ ঊনবিংশ শতিকাত ইংৰাজী ভাষাত লিখা অসম বিষয়ক কিছু শব্দৰ ৰূপ ঃ

অৰুনোদই সম্বাদ পত্ৰ, অৰুণোদই, অৰুণোদয়, Orunodoi। ইংৰাজসকলে অৰুণোদয়ক 'অৰুন্দই' ৰূপে উচ্চাৰণ কৰিছিল। আনহাতে ঊনবিংশ শতিকাত অসমৰ সাহিত্য চৰ্চা কৰা ব্যক্তি, অসমৰ বিভিন্ন ঠাইৰ নাম, উপাধি আদিৰ বানান কেনেদৰে ব্যৱহৃত হৈছিল তাৰ কিছু নমুনা,

| | |
|---|---|
| Anundoram Borooah (আনন্দৰাম বৰুৱা) | Ananda Ram Barua |
| Goonabhi Ram Borua (গুণাভিৰাম বৰুৱা) | Gunabhi Ram Barua |
| Roodra Ram Bordoloi (ৰুদ্ৰৰাম বৰদলৈ) | Rudra Ram Bordoloi |
| Anundaram Dhekial Phookan (আনন্দৰাম ঢেকিয়াল ফুকন) | Anandaram Dhekial Phukan |
| Madub Chunder Bordoloyee[১১] (মাধৱ চন্দ্ৰ বৰদলৈ) | Madhab Chandra Bordoloi |
| Poornanundo Shurma[১২] (পূৰ্ণানন্দ শৰ্ম্মা) | Purnananda Sarma. |
| Berhampooter (ব্ৰহ্মপুত্ৰ) | Brahmaputra |
| Camroop (কামৰূপ) | Kamrup |
| Burro Fokun (বৰফুকন) | Borphukan |
| Goahawtee (গুৱাহাটী) | Gauhati |
| Kocaree/Cosaree (কছাৰী) | Kachari |
| Swurge Deo (স্বৰ্গদেউ) | Swargadeo |
| Rajkoa (ৰাজখোৱা) | Rajkhowa |
| Suddia (শদিয়া) | Sadia |
| Rungpoor (ৰংপুৰ) | Rongpur |
| Boorra Gohaign (বুঢ়াগোহাঞি) | Burhagohain |
| Silarai (চিলাৰায়) | Chilarai |
| Sree Kishen (শ্ৰীকৃষ্ণ) | Sri Krishna |
| Bootan (ভুটান) | Bhutan |
| Brahmun (ব্ৰাহ্মণ) | Brahman |
| Daika (দৰিকা) | Darika/Dwarika |
| Dehingh (দিহিং) | Dihing |
| Dhekow (দিখৌ) | Dikhow |
| Ghurgong (গড়গাঁও) | Gargaon |

---
[১১] *ঊনবিংশ শতিকাৰ অসম সংবাদ*, পৃ.১৪৩

[১২] উল্লিখিত, পৃ.১৫৯

## ৬.১৪ ঊনবিংশ শতিকাত হিন্দী ভাষা প্ৰচলনৰ সূচনা ঃ

**যজ্ঞৰাম খাৰঘৰীয়া ফুকন**[১৩] ঃ যজ্ঞৰাম খাৰঘৰীয়া ফুকনে কলিকতাৰ পৰা প্ৰকাশিত 'সমাচাৰ দৰ্পণ'ৰ ১৮৩২ খ্ৰীষ্টাব্দৰ ১৯ মে' সংখ্যাত অসমৰ পৰা হিন্দী ভাষাত গ্ৰন্থ ৰচনাৰ বাবে প্ৰবন্ধ বিচাৰি আহ্বান জনোৱাৰ তথ্য প্ৰকাশিত হৈছিল।

ঊনবিংশ শতিকাত অসমৰ পঢ়ুৱৈ সমাজক হিন্দী ভাষাৰ আভাস দিয়াৰ ক্ষেত্ৰত 'অৰুণোদই' কাকতত 'হিন্দুস্থানি মাত' (হিন্দুস্থানী) শীৰ্ষক লিখনিত প্ৰকাশিত হৈছিল এনেদৰে,-

> "কৈসা হুআ। অভী হৈ। চুপ ৰহ। হাজৰী লাও। খানা লাও। ৰোটী লাও। দূধ লাও। মিসৰী দো। খানা খাও। দূধ পিয়ো। চিৰাগ জলাও। বত্তী জলাও। ফানূস লাও। বত্তী বুঝাও। ফানূস উঠাও। ভূলিয়ো মত। ইধৰ আও। নজদীক আও। কঁহা সে আয়ে? কিধৰ জাওগে? চা বনাও। দহিনে ফিৰো। বায়েঁ ফিৰো। জলদী জা। জলদী চলো। মুটিয়োঁ কো বোলাও। মেজ লগাও। অসবাব লে জাও।"[১৪]

[১৩] ৰাজকুমাৰ ঝাঁঝৰীৰ 'অসমৰ হিন্দী সাংবাদিকতা', পৃষ্ঠা-৫৮০, অ.বা.কা.আ.ডে.ব.ই. আৰু বেণুধৰ শৰ্মাৰ 'অসমৰ পোন প্ৰথম হিন্দী গ্ৰন্থ'। প্ৰবন্ধ লিখক ঝাঁঝৰীৰ মতে যজ্ঞৰাম খাৰঘৰীয়া ফুকনৰ জীৱনকাল ৩৩ (তেত্ৰিশ) বছৰহে আছিল।

[১৪] অৰুণোদই, ১৮৪৬ খ্ৰীঃৰ মাৰ্চ

## ৬.১৫. অসমৰ পৰা প্ৰকাশিত কাকত-আলোচনীসমূহ ঃ

| ক্ৰ.নং | নাম | ভাষা | প্ৰকাশকাল | প্ৰকাৰ | সম্পাদক | স্থিতিকাল | মুদ্ৰণ |
|---|---|---|---|---|---|---|---|
| ১(ক) | অৰুনোদই সম্বাদ পত্ৰ | অসমীয়া | জানুৱাৰী ১৮৪৬ | মাহেকীয়া | নাথান ব্ৰাউন[১৫] | ১৮৫১ খ্ৰীঃলৈ ৬ বছৰ | মিছ্যন প্ৰেছ্,[১৬] শিৱসাগৰ |
| ১(খ) | অৰুনোদই[১৭] | অসমীয়া | ১৮৫১ | মাহেকীয়া | নাথান ব্ৰাউন (১৮৪৬-১৮৫৪) এপলটন এম.হোৱাইটিং (১৮৫৫-১৮৫৭, জাঃ) ছেমুৱেল এম.হোৱাইটিং (১৮৫৭ ফেঃ-১৮৬০[১৮]) | ১৮৬০ খ্ৰীঃলৈ ৯ বছৰ | মিছ্যন প্ৰেছ, শিৱসাগৰ |
| ১(গ) | অৰুণোদয় সম্বাদ পত্ৰ[১৯] | অসমীয়া | ১৮৬০ | মাহেকীয়া | ছেমুৱেল এম.হোৱাইটিং (১৮৬০ জানু- ডিচেম্বৰ) | ১ বছৰ | মিছ্যন প্ৰেছ, শিৱসাগৰ |
| ১(ঘ) | অৰুণোদয়[২০] | অসমীয়া | ১৮৬১ | মাহেকীয়া | উইলিয়াম ৱাৰ্ড (১৮৬১-১৮৬৮) উইলিয়াম ৱাৰ্ড আৰু এডৱাৰ্ড ডব্লিউ ক্লাৰ্ক (১৮৬৯-১৮৭৩) এডৱাৰ্ড ডব্লিউ. ক্লাৰ্ক আৰু চুচান আৰ. ৱাৰ্ড (১৮৭৪) চুচান আৰ. ৱাৰ্ড আৰু এ.কে.গাৰ্ণি (১৮৭৫-১৮৭৮) এ.কে.গাৰ্ণি (১৮৭৯-৮০)[২১] | ১৮৮০ খ্ৰীঃলৈ ২০ বছৰ অৰুণোদইৰ প্ৰচলনকাল সৰ্বমুঠ ৩৫ বছৰ | আমেৰিকান মিছ্যন ইন অসমৰ হৈ এ.এইচ. ডেনফ'ৰ্থ |

[১৫] ১৮৪৬ খ্ৰীঃৰ ১ জানুৱাৰীৰ পৰা মাহেকীয়া ৰূপে প্ৰকাশ পোৱা 'অৰুনোদই সম্বাদপত্ৰ'ৰ সম্পাদনা আৰু প্ৰকাশন কৰোতাৰ তথ্যজ্ঞাপক ঘোষণা শিতানত, প্ৰকাশক হিচাপে অ.টি.কট্টাৰৰ নাম প্ৰকাশ পাইছে যদিও সম্পাদকৰ নাম উল্লেখিত হোৱা নাই। কিন্তু এই প্ৰসংগত আনুষঙ্গিক ৰূপত পোৱা তথ্যসমূহত কাকতখনৰ সম্পাদক ৰূপে নাথান ব্ৰাউনৰ নাম উল্লেখিত হৈছে।

[১৬] 'অৰুনোদই সম্বাদপত্ৰ'ৰ প্ৰকাশক ৰূপে 'আমেৰিকান বেপ্টিষ্ট মিছ্যন ইন আসাম' (American Baptist Mission in Assam) আৰু ছপাশাল ৰূপে 'Sibsagar Mission Press' ৰূপে উল্লেখিত হৈছে।

[১৭] ১৮৪৬ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহৰ পৰা আৰম্ভ হোৱা 'অৰুণোদই সম্বাদ পত্ৰ' নামেৰে প্ৰকাশ পোৱা আলোচনীখন ১৮৫১ খ্ৰীষ্টাব্দৰ জানুৱাৰী সংখ্যাৰ পৰা কেৱল 'অৰুণোদই' নামেৰে প্ৰকাশিত হয়।

[১৮] ১৮৫৯ খ্ৰীষ্টাব্দৰ 'অৰুণোদই'ৰ সংখ্যাসমূহ সম্প্ৰতি দুষ্প্ৰাপ্য,- মহেশ্বৰ নেওগ সম্পাদিত 'অৰুণোদই'ৰ ভূমিকা, পৃঃ১৪১।

[১৯] ১৮৬০ খ্ৰীঃৰ জানুৱাৰী সংখ্যাৰ পৰা পূৰ্বৰ 'অৰুনোদই' নামটিৰ বৰ্ণাক্ষৰ 'অৰুণোদয়' ৰূপে প্ৰকাশিত হয় আৰু কাকতখন 'অৰুণোদয় সম্বাদপত্ৰ' নামেৰে প্ৰকাশিত হয়।

[২০] ১৮৬১ খ্ৰীষ্টাব্দৰ পৰা 'অৰুণোদই'ৰ বানান 'অৰুণোদয়' ৰূপে মুদ্ৰিত হয় আৰু কাকতখন 'অৰুণোদয় সম্বাদপত্ৰ'ৰ ঠাইত কেৱল 'অৰুণোদয়' ৰূপে প্ৰকাশিত হয়।

[২১] কোনো কোনো তথ্যত 'অৰুণোদয়' ১৮৮২-৮৩ খ্ৰীঃলৈকে ছপা হোৱাৰ কথা পোৱা যায়, কিন্তু বাস্তৱ ক্ষেত্ৰত সেই বৰ্ষকেইটিৰ কোনো সংখ্যা দৃষ্টিগোচৰ হোৱা নাই।

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ২. | আসাম বিলাসিনী | অসমীয়া | ১৮৭১ | মাহেকীয়া | শ্ৰীধৰ বৰুৱা | ১৮৮৩ খ্ৰীঃলৈ ১২ বছৰ | ধৰ্ম্মপ্ৰকাশ যন্ত্ৰ, মাজুলী |
| ৩. | আসাম মিহিৰ | ইংৰাজী আৰু বাংলা | ১৮৭২ | সাদিনীয়া কাকত | যদুনাথ চক্ৰৱৰ্তী[২২] | ১৮৭৩ খ্ৰীঃলৈ ১ বছৰ | চিদানন্দ প্ৰেছ, গুৱাহাটী |
| ৪. | আসাম দৰ্পণ | অসমীয়া | ১৮৭৩ | মাহেকীয়া | লক্ষ্মীকান্ত বৰকাকতি | ১৮৭৪ খ্ৰীঃলৈ ১ বছৰ | তেজপুৰ |
| ৫. | দ্বিগ্‌বিজয় (চাহবাগিচাৰ শ্ৰমিক বিষয়ক) | অসমীয়া | - | সাময়িক পত্ৰিকা | ধৰ্মকান্ত বৰুৱা | - | ডিব্ৰুগড় |
| ৬. | জ্ঞানোদয় | অসমীয়া | ১৮৭৪-৭৫ | মাহেকীয়া | পদ্মহাস গোস্বামী | ১৮৭৫-৭৬ | প্ৰ. নগাঁও, ছপা হৈছিল কলিকতাত |
| ৭. | চন্দ্ৰোদয় | অসমীয়া | ১৮৮৬ | মাহেকীয়া | দিহিং সত্ৰৰ সত্ৰাধিকাৰৰ হৈ লক্ষ্মীকান্ত বৰকাকতি | -- | চিদানন্দ প্ৰেছ, গুৱাহাটী |
| ৮. | আসাম দীপক | অসমীয়া | ১৮৭৬ | মাহেকীয়া | দিহিং সত্ৰৰ সত্ৰাধিকাৰ | ১৮৭৬ খ্ৰীঃলৈ ২ বছৰ | ধৰ্ম্মপ্ৰকাশ যন্ত্ৰ, গুৱাহাটী |
| ৯. | গোৱালপাৰা হিত-সাধিনী | বাংলা | ১৮৭৬ | -- | দিহিং সত্ৰৰ সত্ৰাধিকাৰ | ১৮৭৮ খ্ৰীঃলৈ ২ বছৰ | হিত-সাধিনী যন্ত্ৰ, গোৱালপাৰা |
| ১০. | মধুচন্দ্ৰিকা | বাংলা | ১৮৭৬ মে’ | মাহেকীয়া | -- | -- | গোৱালপাৰা |
| ১১. | আসাম নিউচ | অসমীয়া আৰু বাংলা | ১৮৮২ | সাদিনীয়া | হেমচন্দ্ৰ বৰুৱা | ১৮৮৫ খ্ৰীঃলৈ ৩ বছৰ | গুৱাহাটী |
| ১২. | আসাম বন্ধু | অসমীয়া | ১৮৮৫ | মাহেকীয়া | গুণাভিৰাম বৰুৱা | প্ৰথম বছৰ ১২ টি সংখ্যা আৰু দ্বিতীয় বছৰ দুটি যুগ্মসংখ্যা, মুঠ ১৬ টি সংখ্যা ওলাই বন্ধ হয় | ১০০, বৌ-বাজাৰ ষ্ট্ৰীট, কলিকতাৰ পৰা মুদ্ৰিত |
| ১৩. | মৌ | অসমীয়া | ১৮৮৬ | মাহেকীয়া | হৰনাৰায়ণ বৰা | মাত্ৰ ৪টা সংখ্যা প্ৰকাশিত | ইণ্ডিয়া প্ৰেছ, কলিকতা |

[২২] চিদানন্দ দাস বুলিও পোৱা যায়।

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ১৪. | আসাম তাৰা | অসমীয়া | ১৮৮৮ | মাহেকীয়া | শ্ৰীধৰ বৰুৱা ওজা | ১৮৯০ খ্ৰীঃলৈ তিনি বছৰ প্ৰকাশিত | ধৰ্ম্মপ্ৰকাশ যন্ত্ৰ, গুৱাহাটী |
| ১৫. | ল'ৰাৰ বন্ধু | অসমীয়া | ১৮৮৮ | -- | কৰুণাভিৰাম বৰুৱা | ১৮৮৫ | হুৰেকৃষ্ণ গুপ্ত, শিলচৰপ্ৰেছ |
| ১৬. | জোনাকী | অসমীয়া | ১৮৮৯ | মাহেকীয়া | চন্দ্ৰকুমাৰ আগৰৱালা | ১৯০৩ খ্ৰীঃলৈ ১৪ বছৰ প্ৰকাশিত | ৰামনাৰায়ণ যন্ত্ৰ, কলিকতা |
| ১৭. | শিলচৰ | বাংলা | ১৮৮৯ | পযেকীয়া পত্ৰিকা | বিধুভূষণ ৰায়,[২৩] ভগৱতীচৰণ ৰায়গুপ্ত | ঊনৈছ শতিকাত ১২ বছৰ প্ৰকাশিত | -- |
| ১৮. | বিজুলী | অসমীয়া | ১৮৯১ | মাহেকীয়া | কৃষ্ণপ্ৰসাদ দুৱৰা, পদ্মনাথ গোহাঞি বৰুৱা | ১৯০৬ খ্ৰীঃলৈ ১৫ বছৰ প্ৰকাশিত | কৃপাসিন্ধু প্ৰেছ বা কৃপানন্দ যন্ত্ৰ কলিকতা |
| ১৯. | আসাম | অসমীয়া আৰু ইংৰাজী | ১৮৯৪ | সাদিনীয়া | কালিৰাম বৰুৱা, মাণিকচন্দ্ৰ বৰুৱা | ১৯০১ খ্ৰীঃলৈ ৭ বছৰ প্ৰকাশিত | আসাম নিউজ ছপাশাল, গুৱাহাটী |
| ২০. | ছাত্ৰ সখা | বাংলা | ১৮৯৪ | মাহেকীয়া | কেইজনমান ছাত্ৰ | ১৮৯৪-৯৫ | হাইলাকান্দি |
| ২১. | সাহিত্য সেবক | বাংলা | ১৮৯৫ | মাহেকীয়া | পদ্মনাথ ভট্টাচাৰ্য্য আৰু অন্যান্য | ১৮৯৫ ৰ পৰা ১৮৯৭ লৈকে ২ বছৰ | শ্বিলং সাহিত্য সভা, শ্বিলং |
| ২২. | The Times of Assam | ইংৰাজী | ৫ জানুৱাৰী ১৮৯৫ | সাদিনীয়া | ৰাধানাথ চাংকাকতি | ১৯৪৭ খ্ৰীঃলৈ ৫২ বছৰ প্ৰকাশিত | ৰাধানাথ প্ৰেছ, ডিব্ৰুগড় |
| ২৩. | অসম বন্তি | অসমীয়া আৰু ইংৰাজী | ১৯০০ | সাদিনীয়া | মথুৰামোহন বৰুৱা[২৪] | ১৯০০ খ্ৰীঃৰ পৰা ১৯১৪ খ্ৰীঃলৈকে ১৪ বছৰ | অসম চেণ্ট্ৰেল প্ৰেছ, তেজপুৰ |

## ৬.১৬. ঊনবিংশ শতিকাত অসম আৰু বঙ্গৰ পৰা প্ৰকাশিত অসমীয়া আলোচনী ঃ

ঊনবিংশ শতিকাত অসমত বিভিন্ন বিষয়ৰ গ্ৰন্থ প্ৰকাশৰ সমান্তৰালভাৱে ভালেসংখ্যক সংবাদপত্ৰ আৰু আলোচনীও প্ৰকাশিত হৈছিল। এই আলোচনীসমূহৰ ভিতৰত একমাত্ৰ জোনাকী, জ্ঞানোদয়, আসাম বন্ধু,

[২৩] বিধুভূষণ সেন/বিধু পণ্ডিত।

[২৪] ঊনবিংশ শতিকাৰ কালছোৱাত এই কাকতৰ সম্পাদক মথুৰামোহন বৰুৱা, পিছলৈ পদ্মনাথ গোহাঞিবৰুৱাকে প্ৰমুখ্য কৰি অন্যান্য সম্পাদকসকলৰ সম্পাদনাত প্ৰকাশিত হৈছিল।

মৌ আৰু ‘বিজুলী’ কলিকতাৰ পৰা মুদ্রিত আৰু প্ৰকাশিত হৈছিল। ইয়াৰে দুই-এখন আলোচনী, বিশেষকৈ জ্ঞানোদয় কলিকতাত ছপা হৈছিল যদিও প্ৰকাশ কৰা হৈছিল নগাঁৱৰ পৰা। উক্ত শতিকাত প্ৰকাশিত আলোচনীসমূহৰ ভিতৰত শিৱসাগৰৰ পৰা আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলে প্ৰকাশ কৰা ‘অৰুনোদই’ৰ ভূমিকাই আছিল সৰ্বাধিক গুৰুত্বপূৰ্ণ। মাজতে চেগা-চোৰোকাকৈ চমু বিৰতি সত্ত্বেও প্ৰায় ৩৫ বছৰ কাল আলোচনীখন প্ৰচলিত আছিল আৰু এই আলোচনীখনে সমগ্ৰ অসমৰ সমাজ জীৱনত ব্যাপক প্ৰভাৱ পেলাইছিল। উক্ত শতিকাত আন এখন গুৰুত্বপূৰ্ণ আলোচনী ‘আসাম বিলাসিনী’ প্ৰকাশিত হৈছিল মাজুলীৰ পৰা। শতিকাৰ শেষৰ পিনে (১৮৮৯ খ্ৰীঃৰ পৰা একেৰাহে ১৪ বছৰ কাল) কলিকতাৰ পৰা প্ৰকাশিত ‘জোনাকী’ আলোচনীখনেও অসমৰ বিদ্যায়তনিক ক্ষেত্ৰখনত ব্যাপক প্ৰভাৱ পেলাইছিল।

**‘অৰুনোদই সম্বাদপত্ৰ’ আৰু ‘অৰুনোদই’ আলোচনী ঃ** ১৮৪৬ ৰ পৰা ১৮৮০ খ্ৰীঃৰ পৰা প্ৰকাশিত প্ৰথম অসমীয়া আলোচনী আৰু সংবাদপত্ৰ *‘অৰুণোদই’*ৰ লগত আ.বে.মি. জড়িত হৈ নানা প্ৰবন্ধ-পাতি, অনুবাদ আদিৰে আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধিত ব্ৰতী হয়। এই আলোচনীৰ যোগেদি খ্ৰীষ্টিয়ান

| সম্পাদক | স্থিতিকাল | বৰ্ষসংখ্যা |
|---|---|---|
| নাথান ব্ৰাউন | ১৮৪৬-১৮৫৪ খ্ৰীঃ | ১-৯ বৰ্ষসংখ্যা |
| এপলটন হাও এইচ.ডেনফ'ৰ্থ | ১৮৫৫-১৮৫৭ খ্ৰীঃৰ জানুঃ | ১০-১১ বৰ্ষসংখ্যা |
| ছেমুৱেল এম.হোৱাইটিং | ১৮৫৭ৰফেব্ৰুঃৰ পৰা ১৮৬০ | ১২-১৫ বৰ্ষসংখ্যা |
| উইলিয়াম ৱাৰ্ড | ১৮৬১-১৮৬৮ খ্ৰীঃ | ১৬-২৩ বৰ্ষসংখ্যা |
| উইলিয়াম ৱাৰ্ড আৰু এডৱাৰ্ড ডব্লিউ.ক্লাৰ্ক | ১৮৬৯-১৮৭৩ খ্ৰীঃ | ২৪-২৮ বৰ্ষসংখ্যা |
| এডৱাৰ্ড ডব্লিউ.ক্লাৰ্ক আৰু ছুছান আৰ.ৱাৰ্ড | ১৮৭৪ খ্ৰীঃ | ২৯ বৰ্ষসংখ্যা |
| ছুছান আৰ.ৱাৰ্ড আৰু এ.কে.গাৰ্ণি | ১৮৭৫-১৮৭৮ খ্ৰীঃ | ৩০-৩৩ বৰ্ষসংখ্যা |
| এ.কে.গাৰ্ণি | ১৮৭৯-১৮৮০ খ্ৰীঃ | ৩৪-৩৫ বৰ্ষসংখ্যা |

মিছনাৰীসকলে অসমীয়া ভাষাৰ স্বকীয়তা বজাই ৰাখি অসমত অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠা কৰাৰ বাবে চলোৱা সংগ্ৰামত বিশেষভাৱে ভূমিকা গ্ৰহণ কৰে। আলোচনীখন শিৱসাগৰত আ.বে.মি.ৰ উদ্যোগত প্ৰতিষ্ঠা লভা ‘মিছন প্ৰেছ’ৰ পৰা প্ৰথমে নাথান ব্ৰাউনৰ সম্পাদনাত ১৮৪৬ খ্ৰীঃৰ জানুৱাৰীৰ পৰা ১৮৫১ খ্ৰীঃলৈ প্ৰায় ৭ বছৰ প্ৰকাশ হৈছিল। ১৮৫১ৰ পৰা ১৮৬০ খ্ৰীষ্টাব্দলৈকে প্ৰায় ১০ বছৰ ‘অৰুণোদই’ আলোচনীখন ‘অৰুণোদই’ আৰু ‘অৰুণোদই সম্বাদ পত্ৰ’ নামেৰে দুটি সুকীয়া ভাগত পৃথক পৰিসৰৰ কাকতত প্ৰকাশিত হয়। ১৮৬১ৰ পৰা ১৮৮০ খ্ৰীঃলৈ প্ৰায় ২০ বছৰ কেবাজনো লোকৰ সম্পাদনাত আলোচনীখন প্ৰকাশ হয়। ১৮৬০ খ্ৰীঃত প্ৰকাশিত হেমচন্দ্ৰ বৰুৱাৰ ‘অসমীয়া ভাষাৰ ব্যাকৰণ’ গ্ৰন্থৰ আখৰ-জোঁটনিৰ উচ্চাৰণ

**প্ৰথমৰে পৰা অৰুনোদই লোআৰ সংখ্যা।**

Circulation of the Orunudoi, from 1846 to 1854.

| | ১৮৪৬ | ১৮৪৭ | ১৮৪৮ | ১৮৪৯ | ১৮৫০ | ১৮৫১ | ১৮৫২ | ১৮৫৩ | ১৮৫৪ |
|---|---|---|---|---|---|---|---|---|---|
| **বিদেসি চাহাব লোক** | | | | | | | | | |
| শিৱসাগৰ | ১৯ | ১৯ | ১৯ | ১৯ | ২৭ | ২৭ | ২৫ | ২৫ | ২৫ |
| নাজিৰা | ১ | ১ | ০ | ১০ | ১০ | ১০ | ১০ | ১০ | ১৫ |
| লখিমপুৰ | ৫ | ৫ | ৫ | ৫ | ৫ | ৫ | ২ | ২ | ২ |
| ডিব্ৰুগৰ | ২০ | ২১ | ২৪ | ২৩ | ৩৯ | ৩৯ | ২৯ | ৪৪ | ৩২ |
| জইপুৰ | ২৩ | ১৮ | ৮ | ০ | ০ | ০ | ০ | ০ | ০ |
| চইখোআ | ০ | ১০ | ১০ | ১০ | ১০ | ১০ | ১০ | ১০ | ১২ |
| গোলাঘাট | ২ | ২ | ২ | ২ | ২ | ২ | ২ | ২ | ২ |
| তেজপুৰ | ৪৪ | ৪৪ | ৫৩ | ২৯ | ৪০ | ৪১ | ৪০ | ১৬ | ৭ |
| মঙ্গলদৈ | ১০ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ০ |
| নগাঁও | ১০ | ৮ | ৬ | ৬ | ৬ | ৬ | ৬ | ৭ | ৭ |
| গুআহাটি | ৭৪ | ৭৪ | ৬৫ | ৬৪ | ৭৪ | ৭৬ | ৬২ | ৫১ | ৫৬ |
| গোআলপাৰা | ৫ | ৫ | ৩ | ০ | ০ | ০ | ০ | ০ | ০ |
| মুঠে | ২১৩ | ২০৭ | ১৯৫ | ১৬৮ | ২১৩ | ২১৬ | ১৮৬ | ১৬৭ | ১৫৮ |
| **এই দেসি লোক** | | | | | | | | | |
| শিৱসাগৰ | ৪৪ | ৪৪ | ৩৫ | ৩৮ | ৪২ | ৪৯ | ৩৪ | ৪০ | ৪৭ |
| নাজিৰা | | | | | | | | ১ | ২ |
| জোৰহাট | ১ | ১ | ৩ | ৩ | ৪ | ৫ | ৬ | ৭ | ৭ |
| লখিমপুৰ | ২৩ | ২৩ | ০ | ০ | ০ | ০ | ০ | ০ | ০ |
| ডিব্ৰুগৰ | ১৬ | ২৪ | ২ | ৪ | ৪ | ৪ | ৪ | ৩ | ৫ |
| গোলাঘাট | ১৩ | ১৩ | ৯ | ৯ | ৯ | ৯ | ৯ | ১১ | ১১ |
| তেজপুৰ | ৩১ | ২৮ | ১১ | ৩ | ২৪ | ২৫ | ২৫ | ৭ | ৭ |
| মঙ্গলদৈ | ৪২ | ৪২ | ১১ | ০ | ০ | ০ | ০ | ০ | ০ |
| নগাঁও | ৩৮ | ০ | ৪ | ৪ | ৪ | ১২ | ১১ | ২৪ | ২৫ |
| গুআহাটি | ৪০ | ৩৯ | ৩৯ | ৩৯ | ৩৯ | ৩৫ | ৩৫ | ২৪ | ২৫ |
| গোআলপাৰা | ১ | ১ | ০ | ০ | ০ | ০ | ০ | ০ | ০ |
| বঙ্গাল | | | | | | | ২ | ২ | ২ |
| মুঠে | ২৪৯ | ২১৫ | ১১৪ | ১০০ | ১২৬ | ১৩৯ | ১২৬ | ১১৯ | ১৩১ |
| **মিস্যনেৰি লোক** | | | | | | | | | |
| শিৱসাগৰ | ১০ | ১০ | ১০ | ১০ | ১০ | ২৫ | ৩২ | ২৫ | ২৫ |
| নগাঁও | ৪২ | ৪২ | ৪৭ | ৪৭ | ৫০ | ৫৪ | ৫২ | ৫২ | ৫৮ |
| গুআহাটি | ২২ | ২২ | ২২ | ৩২ | ২৫ | ৪৮ | ৪১ | ৩৩ | ২৮ |
| বিলাতলৈ যোআ | ৪০ | ৪০ | ৪০ | ৪০ | ৪০ | ৪০ | ৪০ | ৪০ | ৪০ |
| মুঠে | ১১৪ | ১১৪ | ১১৯ | ১২৯ | ১২৫ | ১৬৭ | ১৬৫ | ১৫০ | ১৫১ |
| সৰ্ব্ব মুঠ | ৫৭৬ | ৫৩৬ | ৫২৮ | ৩৯৭ | ৪৬৪ | ৫২২ | ৪৭৭ | ৪৩৬ | ৪৪০ |

*'অৰুনোদই',* জুন, ১৮৫৪ খ্ৰীঃ সংখ্যাত প্ৰকাশিত তালিকা

বিধি অনুসৰি 'অৰুনোদই'ৰ দন্ত্য 'ন'ৰ ঠাইত মূৰ্দ্ধণ্য 'ণ' আৰু হ্ৰস্ব 'ই'ৰ ঠাইত 'য়' ব্যৱহাৰ কৰাত 'অৰুনোদই'ৰ ঠাইত 'অৰুণোদয়' হয়। কাকতখনৰ আকাৰগত পৰিসৰ[২৫] ১৮৫১ খ্ৰীষ্টাব্দলৈকে 'ফুলস্কেপ' কাকতত ৮ পৃষ্ঠা আৰু পিছত 'ৰয়েল অক্টেভ' আকাৰত ১৬ পৃষ্ঠাৰে প্ৰকাশ পায়।

**অৰুণোদয়ৰ সম্পাদকসকলৰ নাম তলৰ তালিকাত উল্লেখ কৰা হ'ল[২৬]**

১৮৮০ খ্ৰীত আলোচনীৰ প্ৰকাশ বন্ধ হৈ পৰে যদিও আলোচনী ছপা হোৱা ছপাশাল আৰু

[২৫] 'অৰুণোদই'ৰ ১৮৪৬-৫৪ বৰ্ষৰ একত্ৰিত সংকলনত ড° মহেশ্বৰ নেওগৰ ভূমিকা, পৃষ্ঠা-১৩৯

[২৬] উল্লিখিত, পৃ. ১৪১-১৪২

আলোচনীখনৰ প্ৰতিষ্ঠানটি ১৮৮২ খ্ৰীষ্টাব্দলৈকে শিৱসাগৰৰ সংশ্লিষ্ট ঠাইতে আছিল। সেয়ে কোনো কোনোৱে অৰুণোদইৰ আয়ুসকাল ৩৬ বছৰ বুলি ক'ব বিচাৰে। ১৮৮২ খ্ৰীষ্টাব্দত ছপাশালৰ মুদ্ৰণ যন্ত্ৰসমূহ 'আমেৰিকান বেপ্টিষ্ট মিছন'ৰ পৰা ব্ৰিটিছ শাসনাধীন 'ইষ্ট ইণ্ডিয়া কোম্পানী'য়ে ক্ৰয় কৰি লয়।

**আসাম বিলাসিনী** ঃ শ্ৰীধৰ বৰুৱাৰ সম্পাদনাত মাহেকীয়া আলোচনীখন ১৮৭১ খ্ৰীষ্টাব্দৰ পৰা ১৮৮৩ খ্ৰীষ্টাব্দলৈকে প্ৰায় ১২ বছৰ প্ৰচলিত হৈ আছিল। মুদ্ৰণ হৈছিল 'ধৰ্ম্মপ্ৰকাশ যন্ত্ৰ'ত।

**আসাম মিহিৰ** ঃ সাদিনীয়া কাকত কাকতখন ১৮৭২ খ্ৰীঃৰ পৰা ১৮৭৩ লৈ প্ৰকাশ হয়। কাকতখনৰ সম্পাদক আছিল মূলতঃ বৰপেটা নিৱাসী আৰু সেই সময়ৰ গুৱাহাটীত আহি থাকিবলৈ লোৱা চিদানন্দ দাস। কাকতখন চিদানন্দৰ প্ৰেছত মুদ্ৰিত হৈছিল। প্ৰথমে বাংলা আৰু পিছত ইংৰাজী খণ্ড সংযোজিত দ্বৈতভাষাত প্ৰকাশিত কাকতখনেই বিদেশী ভাষাৰ প্ৰথম বাতৰি কাকত।

**আসাম দৰ্পণ** (১৮৭৪-১৮৭৫) ঃ সম্পাদক লক্ষীকান্ত বৰকাকতি, তেজপুৰ।

**চন্দ্ৰোদয়** (১৮৭৬) ঃ নগাঁওস্থিত দিহিং সত্ৰৰ সত্ৰাধিকাৰ সম্পাদনাত নগাঁওৰ পৰা প্ৰকাশ কৰা মাহেকীয়া আলোচনীখন গুৱাহাটীৰ 'চিদানন্দ প্ৰেছ'ত মুদ্ৰিত কৰা হৈছিল যদিও তাকৰীয়া গ্ৰাহকৰ বাবে দীৰ্ঘদিন প্ৰচলন নহ'ল।

**আসাম দীপক** (১৮৭৬-১৮৭৭) ঃ মাহেকীয়া আলোচনী। গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰথম অসমীয়া আলোচনীখন গুৱাহাটীৰ 'ধৰ্ম্মপ্ৰকাশ যন্ত্ৰ'ত মুদ্ৰিত হৈছিল।

**গোয়ালপাড়া হিতসাধনী** (১৮৭৬-১৮৭৮) ঃ গোৱালপাৰাৰ পৰা প্ৰকাশিত বাংলা ভাষাৰ আলোচনীখন গোৱালপাৰাৰ 'হিত-সাধনী যন্ত্ৰ'[২৭] ছপাশালত মুদ্ৰিত হৈছিল।

**আসাম নিউচ** (১৮৮২-১৮৮৫ জুলাই) ঃ গুৱাহাটীৰ পৰা হেমচন্দ্ৰ বৰুৱাৰ সম্পাদনাত প্ৰকাশিত অসমীয়া আৰু ইংৰাজী ভাষাৰ সাদিনীয়া কাকত *'Assam News'*খনৰ উদ্যোক্তা আছিল মাণিকচন্দ্ৰ বৰুৱা আৰু আনন্দৰাম ঢেকিয়াল ফুকনৰ পুত্ৰ অন্নদাৰাম ঢেকিয়াল ফুকন। প্ৰকাশক বৰুৱা ফুকন ব্ৰাদাৰ্ছ।

**আসাম বন্ধু** (১৮৮৫-১৮৮৬ ছেপ্টেম্বৰ) ঃ ১২টা সংখ্যা প্ৰকাশিত। কলিকতাৰ পৰা ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাৰ সম্পাদনাত প্ৰকাশিত। *'ন চ জ্ঞানাত্ পৰং বলম্'*শীৰ্ষক বাণীৰে প্ৰতি অসমীয়া মাহৰ

[২৭] এই ছপাশালটিৰ নামৰ ক্ষেত্ৰত সূৰ্য্যকুমাৰ ভূঞাই সংকলন কৰা *Report on the Progress of Historical Research in Assam. Appendix II* ত 'হিত-সাধনী যন্ত্ৰ' নামৰ ছপাশালটিৰ নাম 'হিতবিধায়িনী প্ৰেছ' (Hitabidhayini Press) বুলি ব্যৱহাৰ কৰিছে।

প্ৰথম সপ্তাহত প্ৰকাশ পাইছিল। পৰৱৰ্তী পৰ্যায়ত এই আলোচনী নগাঁৰৰ পৰা প্ৰকাশিত হয়।

**মৌ** (১৮৮৬-১৮৮৭) ঃ বলিনাৰায়ণ বৰাৰ হৈ তেখেতৰ ভ্ৰাতৃ হৰনাৰায়ণ বৰাৰ সম্পাদনাত কলিকতাৰ ৭ মদন দত্ত লেন, বৌ বাজাৰত থকা 'ইণ্ডিয়া প্ৰেছ'ৰ পৰা বি.চি.সৰকাৰৰ দ্বাৰা মুদ্ৰিত হৈ প্ৰকাশ পাইছিল।

**আসাম তাৰা** (১৮৮৬-১৮৯০) ঃ মাহেকীয়া আলোচনীখন শ্ৰীধৰ বৰুৱা ওজাৰ সম্পাদনাত মাজুলীৰ পৰা প্ৰকাশিত। 'ধৰ্ম্মপ্ৰকাশ যন্ত্ৰ'ত মুদ্ৰিত কাকতখন তিনি বছৰ প্ৰকাশিত হয়।

**ল'ৰাৰ বন্ধু** (১৮৮৮) ঃ প্ৰথম অসমীয়া শিশু-আলোচনীখন গুণাভিৰাম বৰুৱাৰ পুত্ৰ কৰুণাভিৰাম বৰুৱাৰ উদ্যোগত প্ৰকাশিত হৈছিল।

**জোনাকী** (১৮৮৯-১৯০৩) ঃ মাহেকীয়া আলোচনীখন চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত কলিকতাৰ পৰা প্ৰকাশিত। জোনাকীৰ সম্পাদকসকলৰ নাম তলত উল্লেখ কৰা হ'ল।

| | | | |
|---|---|---|---|
| ১ম বৰ্ষ ঃ ১৮১০-১৮১১ শকাব্দ | ১৮৮৯ খ্ৰীঃ | একাদশ সংখ্যা | চন্দ্ৰকুমাৰ আগৰৱালা |
| ২য় বৰ্ষ ঃ ১৮১১-১৮১২ শকাব্দ | ১৮৯০ খ্ৰীঃ | দ্বাদশ সংখ্যা | হেমচন্দ্ৰ গোস্বামী |
| ৩য় বৰ্ষ ঃ ১৮১২-১৮১৩ শকাব্দ | ১৮৯১ খ্ৰীঃ | দশম সংখ্যা | লক্ষ্মীনাথ বেজবৰুৱা |
| ৪ৰ্থ বৰ্ষ ঃ ১৮১৩-১৮১৪ শকাব্দ | ১৮৯২ খ্ৰীঃ | একাদশ সংখ্যা | লক্ষ্মীনাথ বেজবৰুৱা |
| ৫ম বৰ্ষ ঃ ১৮১৬-১৮১৭ শকাব্দ | ১৮৯৫ খ্ৰীঃ | সপ্তম সংখ্যা | সোণাৰাম চৌধাৰী |
| ৬ষ্ঠ বৰ্ষ ঃ ১৮১৭-১৮১৮ শকাব্দ | ১৮৯৬ খ্ৰীঃ | একাদশ সংখ্যা | মীনাধৰ হাজৰিকা |
| ৭ম বৰ্ষ ঃ ১৮১৮-১৮১৯ শকাব্দ | ১৮৯৭ খ্ৰীঃ | ষষ্ঠ সংখ্যা | মীনাধৰ হাজৰিকা |
| ৮ম বৰ্ষ ঃ ১৮১৯- শকাব্দ | ১৮৯৮ খ্ৰীঃ | প্ৰথম সংখ্যা | মীনাধৰ হাজৰিকা |

**বিজুলী** (১৮৯১-১৯০৬) ঃ কলিকতাৰ কলেজ স্কোৱাৰত থকা ১৪ নং প্ৰতাপ চেটাৰ্জ্জী লেনৰ পৰা অসমীয়া ভাষাত প্ৰকাশিত মাহেকীয়া আলোচনীখন। প্ৰথম বৰ্ষৰ সম্পাদক আছিল কৃষ্ণপ্ৰসাদ দুৱৰা। প্ৰথমে কলিকতা নিৱাসী ছাত্ৰ বেণুধৰ ৰাজখোৱা, কৃষ্ণপ্ৰসাদ দুৱৰাই ভাড়াত লোৱা এটি গৃহক কাৰ্যালয় ৰূপে লৈছিল। দ্বিতীয় বৰ্ষৰ সম্পাদক আছিল পদ্মনাথ গোহাঞিবৰুৱা। ১৮৯৩ খ্ৰীষ্টাব্দত সাময়িকভাৱে আলোচনীখন বন্ধ হৈছিল যদিও, পিছত বেণুধৰ ৰাজখোৱাৰ সম্পাদনাত আলোচনীখন পুনৰ প্ৰকাশ হয়। ঊনবিংশ শতিকাৰ শেষৰ ফালে পুনৰ ব্যাঘাত জন্মাত *'বিজুলী'*ৰ প্ৰকাশৰ স্থান কলিকতাৰ পৰা স্থানান্তৰিত হৈ লক্ষ্মীনাথ শৰ্মাৰ সম্পাদনাত শ্বিলঙৰ পৰা প্ৰকাশৰ ব্যৱস্থা কৰা হয়। ১৯০৬ খ্ৰীষ্টাব্দত বিজুলীৰ প্ৰকাশ পুনৰ বন্ধ হয়।

**আসাম** (১৮৯৪-১৯০১) ঃ অসমীয়া আৰু ইংৰাজী ভাষাত সাদিনীয়াকৈ প্ৰকাশ পোৱা ৮ পৃষ্ঠাৰ বাতৰি কাকতখন গুৱাহাটীৰ ভৰলুমুখৰ *'আসাম নিউজ'* ছপাশালৰ পৰা প্ৰতি সোমবাৰে প্ৰকাশ পাইছিল। এই কাকতখন ঊনবিংশ শতিকাৰ শেষ ভাগত সাপ্তাহিক কাকত ৰূপে প্ৰকাশ পোৱা তৃতীয়খন বাতৰি কাকত। সত্যনাথ বৰাই কাকতখনৰ সম্পাদনা কাৰ্যত যথেষ্ট পৰিমাণে সহযোগিতা আগবঢ়াইছিল। কাকতখনৰ প্ৰকাশক ৰূপে কাৰ্য সম্পাদন কৰিছিল দুতিৰাম মেধিয়ে। অসমীয়া বিভাগৰ বাবে কালিৰাম বৰুৱা আৰু ইংৰাজী বিভাগৰ বাবে মাণিক চন্দ্ৰ বৰুৱাই সম্পাদনাৰ দায়িত্বত আছিল।

**শিলচৰ** (১৮৯৪ খ্ৰীঃ) ঃ বাংলা সাপ্তাহিক কাকতখন বিধুভূষণ সেনৰ সম্পাদনাত প্ৰকাশিত হৈছিল।

**পৰিদৰ্শক ঃ** ১৮৯৫ খ্ৰীষ্টাব্দত মুদ্ৰিত হৈছিল।

**The Times of Assam** (৫ জানুৱাৰী, ১৮৯৫ৰ পৰা ১৯৪৭ খ্ৰীষ্টাব্দ) ঃ ৰাধানাথ চাংকাকতিৰ সম্পাদনাত প্ৰতি শনিবাৰে ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত ইংৰাজী ভাষাৰ বাতৰি কাকত। ডিব্ৰুগড়ৰ আমোলাপট্টিৰ 'ৰাধানাথ প্ৰেছ'ত কাকতখন মুদ্ৰিত হৈছিল।

## ৬.১৭. কলিকতাৰ পৰা অসম সম্পৰ্কীয় বিষয় অন্তৰ্ভুক্ত কাকত-আলোচনী সম্ভাৰ ঃ

১। বেঙ্গল গেজেট (Bengal Gejet) ১৮১৬, ২। সমাচাৰ দৰ্পণ, ২৩ মে', ১৮১৮, ৩। বেঙ্গল গেজেট (Bengal Gezette), ১৭৮০-১৭৮২, ৪। কেলকাটা গেজেট, ১৭৮৪, ৫। দিগ্‌দৰ্শন, ১৮১৮, ৬। সংবাদ কৌমুদী, ১৮১৯-১৮৩৬, ৭। সমাচাৰ চন্দ্ৰিকা, ১৮২২, ৮। সংবাদ তিমিৰ নাশক, ১৮২৬, ৯। বঙ্গদূত, ১৮৩১, ১০। সংবাদ প্ৰভাকৰ, ১৮৩০, ১১। সংবাদ সুধাকৰ, ১৮৩১, ১২। সংবাদ ৰত্নাকৰ, ১৮৩১, ১৩। অনুবাদিকা, ১৮৩১, ১৪। জ্ঞানেশ্বৰ, ১৮৩১, ১৫। সংবাদ সুৰ ৰাজেন্দ্ৰ, ১৮৩৫, ১৬। পূৰ্ণচন্দ্ৰোদয়, ১৮৩৫, ১৭। সংবাদ ভাস্কৰ, ১৮৩৭, ১৮। ৰসৰাজ, ১৮৩৮, ১৯। তত্ত্ববোধিনী পত্ৰিকা।

## ৬.১৮. ঊনবিংশ শতিকাত অসমৰ গ্ৰন্থ বিদেশত বিপণনৰ ব্যৱস্থা ঃ

অসমৰ প্ৰশাসনিক বিভাগৰ দ্বাৰা প্ৰকাশিত *'হেমকোষ'* অভিধানখনি বিক্ৰীৰ বাবে ভাৰত, ইংলেণ্ড আৰু ইউৰোপৰ ফ্ৰান্স, জাৰ্মানী, ইংলেণ্ডৰ লণ্ডন, অক্সফ'ৰ্ড, কেমব্ৰীজ আদিৰ কেইটিমান এজেন্সি আৰু ব্যক্তি নাম পোৱা গৈছে। বিদেশতো প্ৰচাৰ আৰু বিস্তাৰ লাভ কৰিব পৰাকৈ উক্ত প্ৰতিষ্ঠানসমূহৰ দ্বাৰা 'হেমকোষ' অভিধানখন বিতৰণৰ ব্যৱস্থা কৰিছিল। ভাৰতৰ এজেন্সিসমূহ হ'ল— 1. Messrs. Thacker, Spink & Co., Calcutta, 2. Messrs. W.Newman & Co.,Calcutta.

লণ্ডনৰ অসমীয়া-ইংৰাজী অভিধান 'হেমকোষ'খন বিক্ৰীৰ বাবে সংগ্ৰহ কৰি ৰখা মজুতকাৰীসকল,-

1. Mr. E.A. Arnold, 37, Bedford Street, Strand, W.C., London; 2. Messrs. Constable & Co., 2, Whitehall Gardens, S.W., London; 3. Messrs. Sampson Low, Marston & Co., St. Dunstan's House. Fetter Lane, E.C., London; 4. Messrs. Luzac & Co., 46, Great Russel Street, W.C., London; 5. Messrs. Kegan Paul, Trench, Trubner & Co., Charing Cross Road, W.C., London; 6. Mr. B.Quaritch, 15. Piccadilly, W., London; 7. Messrs. P.S.King & Son, 9 Bridge Street, Westminster, S.W., London; 8. Messrs. Williams & Norgate, Oxford; 9. Messrs. Deighton Bell & Co., Cambridge.

ইউৰোপৰ অন্যান্য দেশত ‘হেমকোষ’ বিক্ৰীৰ বাবে ৰখা মজুতকাৰীসকল,- 1. MM. Friedlander & Sohn, 11 Carlstrasse, Berlin; 2. M. Otto Harrassowitz, Leipzig; 3. M. Karl Hiersemann, Leipzig; 4. M. Ernest Lerous., 28, Rue Bonaparte, Paris; 5. Martinus Nijhoff. The Hague.